# REGIONAL NEWS UNIT

## AKASHVANI :: GUWAHATI

0000000000

**Date : 19-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে আৰু বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্পৰ উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবেও প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। মুখ্যমন্ত্ৰীয়ে আজিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে।

০০০০

মালয়েছিয়াত অনুষ্ঠিত মাতা ফেয়াৰ শীৰ্ষক পৰ্যটন মেলাত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিষয়ে আলোকপাত কৰা হৈছে। আছিয়ান ভাৰত পৰ্যটন পেচাদাৰী বিনিময় কাৰ্যসূচীৰ অংশ হিচাপে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ ৮০ গৰাকী প্ৰতিনিধিয়ে এই মেলাত অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণ কৰা প্ৰতিনিধিসকলৰ এক চতুৰ্থাংশই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ। এই মেলাত দৃশ্য শ্ৰব্য মাধ্যমেৰে মাজুলীৰ মুখা শিল্পী, ৰংঘৰ, চৰাইদেউ, বিহু, ঝুমইৰ আদি প্ৰদৰ্শন কৰা হৈছে। আচিয়ান ভাৰত পৰ্যটন বৰ্ষ ২০২৫ৰ অধীনত অসম পৰ্যটন উন্নয়ন নিগমে বিদেশ মন্ত্ৰালয়ৰ সৌজন্যত এই মেলাৰ আয়োজন কৰিছে। বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

জাগীৰোডৰ টাটা চেমিকনডাক্টৰ গোটত পি ই বি ষ্ট্ৰাকচাৰেল  কামৰ প্ৰথমটো স্তম্ভ স্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই প্ৰকল্পক চূড়ান্ত

ৰূপ দিয়াৰ বাবে অনাগত সময়ত এনে ধৰণৰ ৪০০ টা স্তম্ভ স্থাপন কৰা হ'ব। ২০২৫ চনৰ শেষৰ ফালে প্ৰকল্পত দেশত নিৰ্মিত ছিপ প্ৰৱৰ্তনৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা-ইছৰোৰ সঞ্চালক ডঃ নিলেশ এম দেশাইয়ে আজি বাক্সা জিলাৰ বৰমা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এটা মহাকাশ গৱেষণাগাৰ উদ্বোধন কৰে। অনুষ্ঠানত সঞ্চালকগৰাকীয়ে কয়, যে ভাৰতে নিজাকৈ মহাকাশলৈ যোৱাৰ প্ৰস্তুতি চলি আছে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান, গণিত আদি বিষয় অধিক উৎসাহেৰে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। ৪-৫ বছৰৰ ভিতৰত ৰাজ্য চৰকাৰৰ কৃত্ৰিম উপগ্ৰহ নিৰ্মাণ হব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ইছৰোৰ অধীনত বিটিআৰৰ ১০ খন বিদ্যালয়ত মহাকাশ গৱেষণাগাৰ স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰি হৈছে বুলি প্ৰকাশ কৰে। বিটিআৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক কৃত্ৰিম উপগ্ৰহ নিৰ্মাণৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ইছৰোৰ সঞ্চালক ড০ দীপক সিং আৰু বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশকসকলে শব্দৰ উচ্চাৰণ, ভাষা আৰু ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাতৰি প্ৰস্তুত আৰু পৰিবেশন কৰা প্ৰয়োজন বুলি বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াই মন্তব্য কৰিছে।

শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ আজি প্ৰচাৰিত বিশেষ দৃষ্টিপাত অনুষ্ঠানত ডঃ শইকীয়াই এই মন্তব্য কৰে। তেওঁ লগতে শব্দ বা বাক্য লিখাৰ ক্ষেত্ৰত খোকোজা দূৰ কৰাৰ বাবে এখন হাতপুথি প্ৰস্তুত কৰাৰ পোষকতা কৰে। অনুষ্ঠানটোত আকাশবাণীৰ প্ৰাক্তন বিষয়া তথা বিশিষ্ট শিক্ষাবিদ ডঃ কৰুণামোহন শৰ্মাইও বাতৰি বিভাগৰ কেইবাটাও অনুষ্ঠানৰ প্ৰসংগ উল্লেখ কৰি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে বাতৰি পৰিবেশকসকলক অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়ে। কেইবাগৰাকীও শ্ৰোতা আৰু বিশিষ্ট ব্যক্তিয়ে নিজৰ মতামত ব্যক্ত কৰা এই অনুষ্ঠানত শ্ৰোতাসকলে ফোনযোগে অংশ লৈ বিভিন্ন পৰামৰ্শ আৰু অভিমত আগবঢ়ায়। এই অনুষ্ঠানত বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে শ্ৰোতাসকলৰ প্ৰশ্নৰ সমিধান দিয়ে।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে - ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ১৮১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে টছক জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৮০ ৰাণ সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে আজি দেলহি কেপিটেলছক ৭ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২০৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুজৰাটৰ হৈ যোশ বাটলাৰে ৫৪ টা বলত ৯৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দেলহি

কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ২০৩ ৰাণ কৰে। এই জয়ৰ সুবাদত গুজৰাট টাইটানছ্ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। দেলহি কেপিটেলছ দ্বিতীয় স্থানত আছে।

০০০০০

៖៖ সমাপ্ত ៖៖

៖៖៖៖ ៖៖៖៖ ៖៖៖៖ ៖៖៖៖